# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 30-08-2026
**Time :** 1910 PM

ASSAMESE EVENING NSD BULLETIN

## HEADLINES

::::::::::::::::::

১। ভাৰত আৰু উজবেকিস্তানে আজি দুয়ো দেশৰ মাজৰ উমৈহতীয়া কৌশলগত মিত্ৰতাক সৰ্বাত্মক কৌশলগত মিত্ৰতাৰ পৰ্যায়লৈ উন্নীত কৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ উজবেকিস্তানৰ সৰ্বোচ্চ ৰাষ্ট্ৰীয় বঁটা **দি অৰ্ডাৰ অব অ'লী দাৰাজালি ডাষ্টলিক** আগবঢ়োৱা হৈছে।

৩। মধ্য নেপালত হোৱা আকস্মিক বানত মৃত্যু হোৱা লোকৰ সংখ্যাই ৭৬৮ অতিক্ৰম কৰিছে।

৪। শ্ৰীমোদীয়ে নিচামুক্ত ভাৰত গঢ়াৰ বাবে যুৱ সংগীতজ্ঞসকলক নিচামুক্ত জীৱনৰ বাৰ্তা কঢ়িওৱা গীত সৃষ্টি কৰিবলৈ আহ্বান জনায়।

*আৰু*

৫। টি-টুৱেণ্টি এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ভাৰতীয় মহিলা দলে প্ৰথমখন খেলত থাইলেণ্ডৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিব।

ooooo

ভাৰত আৰু উজবেকিস্তানে আজি দুয়ো দেশৰ মাজৰ উমৈহতীয়া কৌশলগত মিত্ৰতাক সৰ্বাত্মক কৌশলগত মিত্ৰতাৰ পৰ্যায়লৈ উন্নীত কৰে। মধ্য এছিয়াৰ দেশখনে ভাৰতলৈ ইউৰেনিয়াম যোগানৰ দীৰ্ঘদিনীয়া এটা পৰিকল্পনা সফল কৰাৰ ক্ষেত্ৰতো সন্মতি প্ৰকাশ কৰে। দুয়োখন দেশে পৰিবেশ, উচ্চ শিক্ষা, খনন, আয়ুৰ্বেদ, পৰ্যটন, অৰ্থনৈতিক বৈঠক তথা সৰ্বাত্মক আৰু কৌশলগত মিত্ৰতাকে ধৰি বিভিন্ন খণ্ডত ১১খন বুজাবুজিৰ চুক্তিৰ স্বাক্ষৰ কৰে। দুয়োখন দেশে ২০৩০ চনৰ পূৰ্বে দ্বিপাক্ষিক বাণিজ্য বৰ্তমানতকৈ পাঁচ গুণ অধিক কৰি ৫০০ কোটি আমেৰিকান ডলাৰলৈ উন্নীত কৰাৰ লক্ষ্য লৈছে। দুয়োখন দেশৰ মাজত সহযোগিতা বৃদ্ধি কৰাৰ উদ্দেশ্যে চলোৱা প্ৰয়াসৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ উজবেকিস্তানৰ সৰ্বোচ্চ ৰাষ্ট্ৰীয় বঁটা হিচাপে স্বীকৃত **দি অৰ্ডাৰ অব অ'লী দাৰাজালি ডাষ্টলিক** আগবঢ়োৱা হৈছে। উল্লেখযোগ্য যে এই নামৰ অৰ্থ হৈছে সৰ্বোচ্চ পৰ্যায়ৰ মিত্ৰতা। এই সন্মান আন্তঃৰাষ্ট্ৰীয় নেতাসকল তথা কোনো ৰাষ্ট্ৰ আৰু চৰকাৰৰ মুৰব্বীলৈ আগবঢ়োৱা হয়। টাস্কেণ্টত আজি দেশখনৰ ৰাষ্ট্ৰপতি শ্বাৱকট মিৰ্জিয়োয়েভে তেওঁক এই সন্মান প্ৰদান কৰে। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে ভাৰত আৰু উজবেকিস্তানৰ মাজৰ সুদীৰ্ঘ মিত্ৰতাৰ নামত এই বঁটা উচৰ্গা কৰে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে এই বঁটা লাভ কৰি তেওঁ সন্মানিত অনুভৱ কৰিছে।

প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ ভ্ৰমণৰ দ্বিতীয় দিনা উজবেকিস্তানৰ ৰাষ্ট্ৰপতিৰ সৈতে এখন দ্বিপাক্ষিক বৈঠকত মিলিত হয়। এই বৈঠকত দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্কৰ সকলো দিশ পৰ্যালোচনা কৰে। বৈঠকত বাণিজ্য, বিনিয়োগ, আন্তঃগাঁথনি, গুৰুত্বপূৰ্ণ খনিজাত দ্ৰব্য, খনন, প্ৰতিৰক্ষা আৰু সুৰক্ষা, উদ্ভাৱন, কৃষি, ভেষজ, স্বাস্থ্য, তথ্যপ্ৰযুক্তি, ইউ পি আই আৰু শিক্ষাকে ধৰি ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনিৰ লগতে বিভিন্ন দিশত সহযোগিতা ত্বৰান্বিত কৰা সন্দৰ্ভত আলোচনা কৰা হয়। সাংস্কৃতিক বিনিময় কাৰ্যসূচী আৰু অধ্যয়নৰ উদ্দেশ্যে দেশখনলৈ যোৱা যুৱচামৰ স্বাৰ্থৰ হকেও বিভিন্ন পদক্ষেপ আলোচনা কৰা হয়। টাস্কেণ্ট বিশ্ববিদ্যালয় প্ৰাচ্য অধ্যয়ন খণ্ডত সংস্কৃত আসনৰ লগতে হিন্দীৰ বাবে ১০০টা লাল বাহাদুৰ শাস্ত্ৰী বৃত্তি ঘোষণা কৰা হয়। ভাৰতৰ ইউ পি আই এপ্‌সমূহৰ জৰিয়তে উজবেকিস্তানত ধন লেনদেনৰ সুবিধা সুনিশ্চিত কৰিবলৈ এখন বাণিজ্যিক চুক্তিও স্বাক্ষৰিত হয়।

শ্ৰীমোদীয়ে কয় যে সন্ত্ৰাসবাদ আৰু বিচ্ছিন্নতাবাদৰ বিৰুদ্ধে দুয়োখন দেশে শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰিছে। ভাৰত-উজবেকিস্তানৰ মিত্ৰতা কেৱল ৰাজধানী অঞ্চলতেই সীমাবদ্ধ হৈ নাথাকে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে

এই মিত্ৰতা মহানগৰ তথা ৰাজ্যসমূহলৈও সম্প্ৰসাৰিত হ'ব। হিন্দী ভাষাৰ সংবৰ্ধন তথা ক্ৰীড়া ক্ষেত্ৰৰ প্ৰগতিৰ হকে সহযোগিতাৰ বাবেও উভয় দেশে কাম কৰিব বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। এই সন্দৰ্ভত এটা বৃত্তিৰ বিষয়েও ঘোষণা কৰা হয়।

ooooo

মধ্য নেপালত হোৱা আকস্মিক বানত মৃত্যু হোৱা লোকৰ সংখ্যাই ৭৬৮ অতিক্ৰম কৰিছে। দুহেজাৰ ৫০০তকৈ অধিক লোক এতিয়াও সন্ধানহীন হৈ আছে। আকস্মিকভাৱে বান অহাৰ আজি পঞ্চম দিনা উদ্ধাৰ তথা সাহায্য অভিযান অব্যাহত আছে। বান প্ৰভাৱিত ৮খন জিলাৰ পৰা মৃতদেহসমূহ উদ্ধাৰ হৈ থকাৰ বাতৰি আহিছে। নেপালৰ ৰাষ্ট্ৰীয় দুৰ্যোগ আশংকা প্ৰশমন আৰু ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা অনুসৰি এতিয়ালৈ ২২৭ গৰাকী বিদেশী নাগৰিককে ধৰি বান প্ৰভাৱিত অঞ্চলসমূহৰ পৰা ৮ হাজাৰ ১৮৬ গৰাকী লোকক উদ্ধাৰ কৰা হৈছে। নেপাল চৰকাৰে ইতিমধ্যে ভোটে কোশী নৈত পুনৰ বান অহাৰ আশংকা কৰি সতৰ্কবাণী জাৰি কৰাৰ লগতে নৈপৰীয়া জনসাধাৰণক সাৱধান হৈ থাকিবলৈ আহ্বান জনাইছে। প্ৰাধিকৰণে প্ৰকাশ কৰা অনুসৰি নৈখনৰ জলস্তৰ বৃদ্ধি হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছৱালে প্ৰকাশ কৰা অনুসৰি এতিয়ালৈ ১০৮গৰাকী ভাৰতীয় লোকক উদ্ধাৰ কৰা হৈছে। তেওঁ লগতে কয় যে পূৰ্বে সংযোগ কৰিবলৈ অসমৰ্থ হোৱা ৫০গৰাকী ভাৰতীয় নাগৰিকৰ সৈতে পুনৰ সংযোগ স্থাপিত হৈছে। অৱশ্যে ২৭৫গৰাকী ভাৰতীয় নাগৰিক তথা ১২৮ গৰাকী ভাৰতীয় মূলৰ বিদেশী নাগৰিক এতিয়াও সন্ধানহীন হৈ থকা বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰে। ভাৰত চৰকাৰে নেপাল তথা চীনৰ কৰ্তৃপক্ষৰ সৈতে এই সন্দৰ্ভত যোগাযোগ অব্যাহত ৰখা বুলিও মন্ত্ৰালয়ে প্ৰকাশ কৰে। ইতিমধ্যে ১১ টন সাহায্যৰ সৈতে নেপাললৈ উৰা মৰা চতুৰ্থখন বিমানে কাঠমাণ্ডুত অৱতৰণ কৰিছে। ইয়াৰ পূৰ্বে ভাৰতে তিনিখন বিমানত ৫৭ টন জৰুৰীকালীন সাহায্য নেপাললৈ প্ৰেৰণ কৰিছে।

আনহাতে, বিশ্ব স্বাস্থ্য সংস্থাই নেপালৰ বিধবংসী বানত প্ৰভাৱিত জনসাধাৰণক স্বাস্থ্য তথা অন্যান্য ক্ষেত্ৰত সমৰ্থন আগবঢ়াবলৈ দক্ষিণ-পূব এছিয়া আঞ্চলিক স্বাস্থ্য জৰুৰীকালীন পুঁজিৰ পৰা ১ লাখ ৫০ হাজাৰ আমেৰিকান ডলাৰ আৰ্থিক সাহায্য হিচাপে মুকলি কৰিছে।

ooooo

বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত নিচামুক্ত অভিযানে বিশেষ ভূমিকা পালন কৰিব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন কী বাতত প্ৰকাশ কৰিছে। তেওঁ কয়, যে এই অভিযানে দ্ৰুতগতিত দেশৰ বিভিন্ন অঞ্চল সামৰি লৈ জনসাধাৰণক সজাগ কৰাৰ ক্ষেত্ৰত শক্তিশালী ভূমিকা গ্ৰহণ কৰিছে। আকাশবাণীৰ ১৩৭ সংখ্যক মন কী বাতত নিজৰ মনৰ ভাৱ ব্যক্ত কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে ভাৰতৰ যুৱক-যুৱতীসকলৰ সুস্বাস্থ্য, সুখ আৰু উজ্বল ভৱিষ্যতৰ বাবে এয়া এটা সামূহিক সংকল্প। শ্ৰীমোদীয়ে এখন নিচামুক্ত ভাৰত গঢ়াৰ বাবে শক্তিশালী শ্ল'গান উলিয়াবলৈ আৰু যুৱ সংগীতজ্ঞসকলক নিচামুক্ত জীৱনৰ বাৰ্তা কঢ়িওৱা গীত সৃষ্টি কৰিবলৈ আহ্বান জনায়।

পি এম স্বনিধি যোজনাৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে এই আঁচনিৰ জৰিয়তে লাখ লাখ মহিলাই নতুন শক্তি লাভ কৰিছে।

তেওঁ আজিৰ অনুষ্ঠানত নাগালেণ্ডৰ ফেক জিলাৰ বেচালু পুৰ' নামৰ মহিলাগৰাকীয়ে ফুল খেতিৰে দেশৰ বজাৰ দখল কৰিবলৈ সমৰ্থ হোৱাৰ কথা উল্লেখ কৰে।

স্বচ্ছতাৰ বিষয়ে উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে স্বচ্ছতাৰ এটা উল্লেখনীয় মান আছে। যেতিয়া জনসাধাৰণে কোনো এডোখৰ ঠাই পৰিষ্কাৰ কৰি ৰখাৰ বাবে সংকল্পবদ্ধ হয়, তেতিয়া সেই ঠাইত পৰিচয় সম্পূৰ্ণৰূপে সলনি হৈ পৰে বুলি তেওঁ উল্লেখ কৰে।

oooooo

কেন্দ্ৰীয় মন্ত্ৰীসভাৰ সদস্যসকলে উজবেকিস্তানে উজবেকিস্তানৰ সৰ্বোচ্চ ৰাষ্ট্ৰীয় সন্মান লাভ কৰাৰ বাবে প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদীক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয় যে এই সন্মানৰ জৰিয়তে শ্ৰীমোদীৰ দূৰদৰ্শী নেতৃত্ব তথা ভাৰত আৰু উজবেকিস্তানৰ সুদীৰ্ঘ মিত্ৰতা গভীৰ কৰাৰ বাবে তেওঁৰ প্ৰয়াস

প্ৰতিফলিত হৈছে। তেওঁ কয় যে ইয়াৰ লগতে এই সন্মানৰ জৰিয়তে দেশৰ উদীয়মান গোলকীয় মৰ্যাদা তথা বৰ্ধিত প্ৰভাৱ আৰু বিশ্বৰ বিভিন্ন প্ৰান্তত ভাৰতৰ শক্তিশালী মিত্ৰতা প্ৰতিফলিত হৈছে।

গৃহমন্ত্ৰী অমিত শ্বাহে এই সন্মানক প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে বিশেষ গৌৰৱৰ মুহূৰ্ত আখ্যা দিছে। শ্ৰীমোদীৰ কূটনীতিয়ে ৰাষ্ট্ৰসমূহৰ মাজত মিত্ৰতা বৃদ্ধি কৰি মানৱ জাতিৰ কল্যাণৰ হকে দেশৰ লক্ষ্যক আগুৱাই নিয়া বুলি তেওঁ মত প্ৰকাশ কৰে। তেওঁ লগতে কয় যে শ্ৰীমোদীৰ প্ৰয়াসে বিশ্বৰ দুৰ্বল দেশসমূহৰ কণ্ঠক সঁহাৰি দিয়াৰ উপৰি নতুন দিগন্তলৈ লৈ গৈছে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে এই বঁটাই দুয়োখন দেশৰ মিত্ৰতা গভীৰ কৰাৰ প্ৰতি শ্ৰীনৰেন্দ্ৰ মোদীৰ প্ৰয়াসক স্বীকৃতি দিছে। এই সন্মানৰ লগতে প্ৰধামন্ত্ৰীগৰাকীৰ গুৰুত্বপূৰ্ণ ভ্ৰমণে দুয়োখন দেশৰ মিত্ৰতাক নতুন গতি প্ৰদান কৰিব বুলি তেওঁ উল্লেখ কৰে।

বিত্ত মন্ত্ৰী শ্ৰীমতী নিৰ্মলা সীতাৰমনে এই সন্মানে ভাৰতৰ গোলকীয় মৰ্যাদা উন্নীত কৰা বুলি মত প্ৰকাশ কৰে।

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই এয়া শ্ৰীমোদীৰ ৩৫ সংখ্যক গোলকীয় স্বীকৃতি বুলি প্ৰকাশ কৰি কয় যে ইয়াৰ জৰিয়তে তেওঁৰ নেতৃত্ব, গোলকীয় শান্তিৰ প্ৰতি তেওঁৰ সংকল্প আৰু প্ৰগতিৰ হকে দৃষ্টিভংগী প্ৰতিফলিত হৈছে।

ooooo

টি-টুৱেণ্টি এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত ভাৰতীয় মহিলা দলে প্ৰথমখন খেলত থাইলেণ্ডৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত আৰম্ভ হ'ব। হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটোত স্মৃতি মান্ধানা সহ অধিনায়ক হিচাপে থাকিব। উল্লেখযোগ্য যে, টি-টুৱেণ্টি এছিয়া কাপৰ ইতিহাসত ভাৰতে এতিয়ালৈকে ৫ খনৰ ভিতৰত ৩ খন খেলত খিতাপ জয় কৰি আটাইতকৈ সফল দল হিচাপে বিবেচিত হৈছে। প্ৰতিযোগিতাত থাইলেণ্ডে যোৱা শুকুৰবাৰে নিজৰ প্ৰথম খেলত হংকং-চীনক পৰাস্ত কৰে। প্ৰতিযোগিতাত মুঠ ৮টা দলৰ ভিতৰত গ্ৰুপ-এত ভাৰত, থাইলেণ্ড, হংকং আৰু পাকিস্তান আছে।

ooooo

সমাপ্ত